# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 05-10-2025
**Time :** 1800 Hrs.

## *Assamese Evening Bulletin*

0000000

বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰে। ৰাজ্যৰ মুখ্যসচিব ৰবি কোটাৰ অনুমোদন মৰ্মে বিটিচিৰ সচিব অমৰেন্দ্ৰ ডেকাই তেওঁক পদ আৰু গোপনীয়তাা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়।

কোকৰাঝাৰৰ বিটিচি সচিবালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুক, ইউ পি পি এলৰ নেতা তথা মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক লৰেন্স ইছলাৰীকে ধৰি কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে। শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত ১০ গৰাকী পাৰিষদে বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে শপত লয়। ৰিহন দৈমাৰীয়ে উপ-মুখ্য কাৰ্যবাহী সদস্য হিচাপে শপত গ্ৰহণ কৰে। শ্ৰী মহিলাৰীয়ে শপতগ্ৰহণৰ পাছত অনুষ্ঠানত ভাষণ দি বড়োলেণ্ডৰ সৰ্বাংগীন বিকাশ আৰু জনসাধাৰণৰ কল্যানৰ বাবে তেওঁ সদায় কাম কৰি যাব বুলি উল্লেখ কৰে। তেওঁ এইক্ষেত্ৰত অসম চৰকাৰ তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সহযোগিতা কামনা কৰে।

অনুষ্ঠানত অংশলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য কাৰ্যবাহী সহস্য হিচাপে শপত গ্ৰহণ কৰা হাগ্ৰামা মহিলাৰী আৰু তেওঁৰ নেতৃতৰ কাৰ্যবাহী সদস্যসকললৈ অভিনন্দন জনায়। ড° শৰ্মাই বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ উজ্জীৱিত বড়োভূমিৰ সপোন পূৰণৰ দিশেৰে প্ৰতিগৰাকী নেতাই উৎসৰ্গিত মনোভাবেৰে জনসাধাৰণৰ প্ৰতি সেৱা আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অসম চৰকাৰে এই ক্ষেত্ৰত নতুন বিটিচি চৰকাৰক সকলো ধৰণৰ সমৰ্থন আগবঢ়োৱাৰ আশ্বাস দিয়ে। ড০ শৰ্মাই বিটিআৰক জাতি-উপজাতিৰ মিলনভূমি বুলি উল্লেখ কৰি এই লোকসকলৰ মাজত সমন্বয় বৰ্তাই ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও সামাজিক মাধ্যমযোগে বিপিএফৰ মুৰব্বীগৰাকীক শুভেচ্ছা জনায়। এটা বাৰ্তাত তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰ তথা অসম চৰকাৰে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ দৰ্শন বাস্তবায়িত কৰা আৰু সকলোধৰণৰ বিকাশ সুনিশ্চিত কৰাৰ লক্ষ্যৰে  বিটিচি চৰকাৰক সমৰ্থন আগবঢ়াই যাব।

0000000

ৰাজ্যৰ বিভিন্ন ঠাইত আজিও জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। ডিব্ৰুগড় জিলাৰ চৌকিদিঙি খেলপথাৰত আয়োজিত ৰাজহুৱা আদ্যশ্ৰাদ্ধত জাতি-ধৰ্ম নিৰ্বিশেষে অগণন লোকৰ সমাগম হয়। জাতীয়-জনগোষ্ঠীয় ঐক্যমঞ্চই আয়োজন কৰা প্ৰিয় শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে নাম প্ৰসংগ, ভাগৱত পাঠ, কোৰাণ পাঠ আদিৰ উপৰি শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায় কামনা কৰি সমূহীয়া প্ৰাৰ্থনা কৰা হয়। সন্ধিয়াৰ ভাগত চৌকিদিঙি খেলপথাৰত এহেজাৰ বন্তি প্ৰজ্বলন কৰা হয়।

**শিৱসাগৰ** জিলাতো আজি এখন সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। শিৱসাগৰবাসীৰ উদ্যোগত নগৰৰ দৌলমুখ চাৰিআলিত অনুষ্ঠিত এই প্ৰাৰ্থনাসভাত বিভিন্ন ধৰ্মৰ পুৰোহিতসকলে শিল্পীগৰাকীৰ বাবে প্ৰাৰ্থনা কৰে।

**ঢেকীয়াজুলীত** সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাকে ধৰি বহুকেইটা দল-সংগঠনৰ সহযোগত ছহিদ মৈদানত শিল্পীগৰাকীৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত গীতা পাঠ, সৰ্বধৰ্ম প্ৰাৰ্থনা, দিহানাম আদি পৰিৱেশন কৰাৰ লগতে ভূটানৰ পৰা অহা বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে শিল্পী জুবিন গাৰ্গৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰে।

**হোজাই** জিলাৰ ১ নম্বৰ কাকী খেলপথাৰত আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। কাকী কেন্দ্ৰীয় গামখাৰু ৰঙালী বিহু উদযাপন সমিতিৰ উদ্যোগত আৰু বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠান, ছাত্ৰ সংগঠন তথা স্থানীয় ৰাইজৰ সহযোগত এই ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত জুবিন গাৰ্গৰ স্মৃতিত নাহৰ পুলি ৰোপণ, শিল্পীগৰাকীৰ প্ৰতিকৃতি নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ লগতে নাম-প্ৰসংগ আৰু সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়।

০০০০০০০

মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড° মোহন যাদবে আজি পৰিয়ালৰ সৈতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চল পৰিদৰ্শন কৰে। তেওঁ ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণৰ সময়ত গড়, হাতী, হৰিণকে ধৰি অন্যান্য বন্যপ্ৰাণীসমূহ দেখি অভিভূত হৈ পৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বন বিভাগৰ হাতীক খাদ্য খুৱায়। শ্ৰীযাদবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী আৰু বনাঞ্চল সংৰক্ষণ ব্যৱস্থাৰ প্ৰশংসা কৰি কয়, যে এই ব্যৱস্থাৰ পৰা শিকিবলগীয়া বহু দিশ আছে। তেওঁ লগতে মধ্যপ্ৰদেশৰ বনাঞ্চল আৰু কাজিৰঙাৰ মাজত বন্যপ্ৰাণী বিনিময় সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনা কৰিব বুলি প্ৰকাশ কৰে।

*(বাইট ঃ যাদব)*

০০০০০০০

**সমাপ্ত**